NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-10-2024
**Time :** 07.05 hrs

*Assamese Morning Bulletin*

**HEADLINES**

০০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকলৈ চিকিৎসা বীমা সুবিধাৰ সম্প্ৰসাৰণ কাৰ্য মুকলি কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাষা গৌৰৱ সপ্তাহ পালনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে কালি এখন বৈঠকত অধ্যক্ষতা কৰে।

৪। ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডক ৬ উইকেটত পৰাস্ত কৰি ২-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে।

*আৰু*

৫। ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুঁটীটো পেৰিচ মাষ্টাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত বিশেষ ব্যৱস্থাৰ সংযোজনেৰে কালি ৭০ বছৰ আৰু ইয়াৰ উৰ্ধৰ সকলো জ্যেষ্ঠ নাগৰিকলৈ চিকিৎসা বীমা সুবিধাৰ সম্প্ৰসাৰণ কাৰ্য মুকলি কৰে। ইয়াৰ জৰিয়তে আয়ৰ নিৰ্বিশেষে সকলো জ্যেষ্ঠ নাগৰিকে স্বাস্থ্য বীমাৰ সুবিধা লাভ কৰিব পাৰিব। এই উপলক্ষে শ্ৰীমোদীয়ে কয় যে বঞ্চিত লোকসকলক চিকিৎসা সাহায্য প্ৰদানৰ উদ্দেশ্যে চৰকাৰে আয়ুস্মান ভাৰত যোজনা ৰূপায়ণ কৰিছে আৰু এই যোজনাৰ অধীনত চৰকাৰে দুখীয়া লোকসকলৰ চিকিৎসা ব্যয়ৰ বাবদ ৫ লাখ টকা পৰ্যন্ত খৰচ বহন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে এই যোজনাৰ অধীনত প্ৰায় ৪ কোটি দুখীয়া পৰিয়ালে এটকাও খৰচ নকৰাকৈ চিকিৎসা লাভ কৰাৰ বিষয় লৈ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে তেওঁ যেতিয়া দেশৰ বিভিন্ন প্ৰান্তত আয়ুস্মান যোজনাৰ হিতাধিকাৰীসকলক সাক্ষাৎ কৰে তেতিয়া এই যোজনা চিকিৎসকৰ পৰা চিকিৎসা কৰ্মচাৰীলৈকে সকলো ব্যক্তিৰ বাবে আশীষ স্বৰূপ হৈ পৰাৰ কথাটোৰে তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। ৭০ বছৰৰ উৰ্ধৰ দেশৰ প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিকে আয়ুস্মান ব্যয় বন্দনা কাৰ্ডৰ মাধ্যমেৰে বিনামূলীয়া চিকিৎসা লাভ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে এই কাৰ্ড সাৰ্বজনীন হ'ব আৰু আয়ৰ ভিত্তিত দুখীয়া মধ্যবিত্ত অথবা উচ্চ শ্ৰেণীৰ লোকৰ বাবে কোনো ধৰণৰ সীমাবদ্ধতা নাথাকিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব। তেওঁ একতা নগৰত ২৮০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান আন্তঃগাঁথনি আৰু উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। পৰ্যটকৰ সুবিধা আৰু যাত্ৰা সুগম কৰি তোলাৰ লগতে এলেকাটোত বহনক্ষমতা প্ৰচেষ্টাৰ প্ৰতি সহায় আগবঢ়োৱাই এই প্ৰকল্পৰ মূল উদ্দেশ্য। শ্ৰীমোদীয়ে লগতে **আৰম্ভ** পাঠ্যক্ৰমৰ ষষ্ঠ পৰ্যায়ত ৯৯ সংখ্যক উমৈহতীয়া প্ৰাৰম্ভিক পাঠ্যক্ৰমৰ প্ৰশিক্ষাৰ্থী বিষয়াসকলকো সম্বোধন কৰিব। এই বছৰ এই কাৰ্যসূচীৰ মূল বিষয়বস্তু হৈছে আত্মনিৰ্ভৰ আৰু বিকশিত ভাৰতৰ ৰূপৰেখা। এই পাঠ্যক্ৰমৰ অধীনত ভাৰত আৰু ভূটানৰ অসামৰিক সেৱাৰ ১৬ আৰু তিনিগৰাকী প্ৰশিক্ষাৰ্থী বিষয়াসহ মুঠ ৬৫৩গৰাকী প্ৰশিক্ষাৰ্থী বিষয়াক সামৰি লৈছে।

০০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাষা গৌৰৱ সপ্তাহ পালনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে কালি এখন বৈঠকত অধ্যক্ষতা কৰে। কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ উদযাপন কল্পে ৩ৰ পৰা ৯ নৱেম্বৰলৈ ৰাজ্যজুৰি ভাষা গৌৰৱ সপ্তাহ পালন কৰা হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টযোগে এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ জনসাধাৰণ আৰু প্ৰবাসী অসমীয়াসকলক অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান আৰু ৰাজ্যখনৰ জীৱন্ত ভাষিক বৈচিত্ৰ্যতাৰ উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে শ্ৰীশৰ্মাই কৈছিল যে সকলো বিদ্যালয়, মহাবিদ্যালয় আৰু ৰাজহুৱা কাৰ্যালয়ে এই কাৰ্যসূচীত অংশ ল'ব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমীয়া ভাষাৰ বিকাশ আৰু সংৰক্ষণৰ অৱদান আগবঢ়োৱা সাহিত্যিকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ভাষা গৌৰৱ সপ্তাহৰ সময়ছোৱাত দুহেজাৰ বছৰ পুৰণি অসমীয়া ভাষাৰ বিভিন্ন তথ্য উন্মোচিত হ'ব।

০০০০০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱালে ভাৰত আৰু চৌদি আৰৱৰ মাজৰ বাণিজ্যিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লক্ষৰে চৌদি আৰবত উপস্থিত হৈছেগৈ। দুদিনীয়া ভ্ৰমণ সূচীৰে যোৱা মন্ত্ৰীগৰাকী কালি ৰিয়াধত উপস্থিত হয় । আমাৰ পশ্চিম এছিয়াৰ সংবাদদাতাই জনোৱা মতে মন্ত্ৰী পিয়ুষ গোৱালে ৰিয়াধত অনুষ্ঠিত ভৱিষ্যত বিনিয়োগ পদক্ষেপ শীৰ্ষক এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভৱিষ্যত বিনিয়োগ পদক্ষেপ হৈছে বিনিয়োগৰ এখন বিশেষ মঞ্চ, য'ত বিশ্বৰ বিভিন্ন নেতা বিনিয়োগকাৰী, আৰু উদ্ভাৱকসকল উপস্থিত থাকে।

এই অনুষ্ঠানৰ পিছতে পিয়ুছ গোৱালে উদ্যোগ মন্ত্ৰালয়ত ছৌদি আৰৱৰ উদ্যোগ আৰু খনিজ সম্পদ মন্ত্ৰী খালিদ আল-ফালিহৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকে দুয়োখন দেশৰ নিৰ্মান ক্ষেত্ৰত পাৰস্পৰিক অগ্ৰাধিকাৰসমূহ শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

ইয়াৰ পিছত গোৱালে মুৰাব্বাৰ ৰিয়াধ এভিনিউ মলৰ লুলু হাইপাৰমাৰ্কেটত দীপাৱলী উদযাপনৰ শুভাৰম্ভ কৰিব।

বিয়লি মন্ত্ৰীগৰাকীয়ে শক্তি মন্ত্ৰালয়ত অৰ্থনীতি আৰু বিনিয়োগ সম্পৰ্কীয় এখন বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকত ঔদ্যোগিক বৃদ্ধি, শক্তিৰ বৈচিত্ৰ্য, আৰু বিনিয়োগ বিনিময়ৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰা লক্ষ্যসমূহ আলোচনা কৰা হ'ব। এই বৈঠক কৌশল, নবীকৰণযোগ্য শক্তি, আৰু ঔদ্যোগিক উন্নয়নৰ জৰিয়তে অংশীদাৰিত্ব গঢ়ি তোলাৰ ক্ষেত্ৰত চৌদি-ভাৰত সহযোগিতাৰ আন এক মাইলৰ খুটি হিচাপে বিবেচিত হব বুলি আশা কৰা হৈছে।

০০০০০০০০০

অসম আৰক্ষীয়ে কালি আন্তঃৰাষ্ট্ৰীয় সীমান্তত বাংলাদেশী নাগৰিকৰ অনুপ্ৰবেশৰ এটা চেষ্টা ব্যৰ্থ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। তেওঁ কৈছে যে অনুপ্ৰবেশৰ বিৰুদ্ধে সদাসতৰ্ক অসম আৰক্ষীৰ জোৱানে কৰিমগঞ্জ জিলাৰ ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপত এগৰাকী বাংলাদেশী নাগৰিকক আটক কৰি দেশলৈ ঘূৰাই পঠিয়াইছে। সুৰক্ষা বাহিনীয়ে বৈধ নথি অবিহনে ভাৰতীয় ভূভাগত প্ৰৱেশ কৰাৰ পাছত গ্ৰেপ্তাৰ কৰা বাংলাদেশী নাগৰিকজনক মহম্মদ মুস্তাকিন ইছলাম বুলি চিনাক্ত কৰা হৈছে। গ্ৰেপ্তাৰ কৰাৰ পাছত ইছলামক বাংলাদেশলৈ ঘূৰাই পঠিওৱা হয়। চুবুৰীয়া ৰাষ্ট্ৰখনত অশান্ত পৰিস্থিতি সৃষ্টি হোৱাৰ পাছৰে পৰা আন্তঃৰাষ্ট্ৰীয় সীমান্তত সতৰ্কতা বৃদ্ধি কৰা হৈছে।

০০০০০০০০০

আমেৰিকাই কৈছে যে ভাৰত আৰু চীন সীমান্তৰ শেহতীয়া পৰিঘটনা সমূহ দেশখনে সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। আমেৰিকাৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ মেথিউ মিলাৰে কালি সংবাদ মাধ্যমেৰে হোৱা কথা বতৰাত এই কথা সদৰি কৰে । তেওঁ লগতে কয় যে দেশ দুখনৰ সীমান্তৰ উত্তেজনা হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰা যিকোনো পদক্ষেপক আমেৰিকাই আদৰণি জনাব। উল্লেখযোগ্য যে, ২০২০ চনৰ জুন মাহৰ পৰা ভাৰত আৰু চীনৰ সীমান্তত উত্তেজনা অব্যাহত আছে। বিশেষকৈ গালৱান উপত্যকাত দুয়োখন দেশৰ সৈন্যৰ মাজত হোৱা সংঘৰ্ষৰ পিছতে পৰিস্থিতি অধিক অৱনতি ঘটিছিল। শেহতীয়াকৈ এই উত্তেজনা হ্ৰাস কৰাৰ বাবে দুয়োখন দেশে সীমান্ত টহল চুক্তি ঘোষণা কৰিছিল। ৰাছিয়াৰ কাজানত অনুষ্ঠিত ১৬ সংখ্যক ব্ৰিকছ সন্মিলনৰ ঠিক পূৰ্বে এই চুক্তি স্বাক্ষৰ কৰা হৈছিল । এই ব্ৰিকছ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙে অংশগ্ৰহণ কৰিছিল।

০০০০০০০০০

গাজা ষ্ট্ৰিপত স্থায়ী যুদ্ধবিৰতিৰ বাবে যিকোনো চুক্তিৰ বাবে হামাছে আগ্ৰহ প্ৰকাশ কৰিছে। হামাছৰ এগৰাকী জ্যেষ্ঠ বিষয়াই কালি কয় যে এই চুক্তিৰ বাবে কিছুমান নিৰ্দিষ্ট চৰ্ত থাকিব। ইয়াৰ ভিতৰত সমগ্ৰ গাজা ষ্ট্ৰিপৰ পৰা ইজৰাইলী সেনা প্ৰত্যাহাৰ কৰা, অৱৰোধ প্ৰত্যাহাৰ কৰা, আৰু সাহায্য, সমৰ্থন আৰু আশ্ৰয়ৰ ব্যৱস্থা কৰাৰ লগতে বন্দী বিনিময় চুক্তিও অন্তৰ্ভুক্ত হ’ব লাগিব।

আনহাতে, ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দেল ফাটাহ অল চিছিয়ে দেওবাৰে গাজাত দুদিনীয়া যুদ্ধবিৰতিৰ প্ৰস্তাৱ ঘোষণা কৰি চাৰিজন ইজৰাইলী পণবন্দীক পেলেষ্টাইনী বন্দীৰ বিনিময়ত মুকলি কৰি দিয়া হয়। এই সন্দৰ্ভত বিগত কেইমাহমানৰ পৰা ডোহা আৰু কায়ৰোত কেইবাবাৰো আলোচনা অনুষ্ঠিত হৈছে যদিও বছৰজোৰা সংঘাতৰ অন্ত পেলোৱাৰ বাবে কোনো ধৰণৰ গুৰুত্বপূৰ্ণ চুক্তি উত্থাপন কৰিব পৰা নাই।

০০০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি আহমেদাবাদত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডক ৬ উইকেটত পৰাস্ত কৰি ২-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। ভাৰতে ২৩৩ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি স্মৃতি মান্ধানাৰ আকৰ্ষণীয় বেটিঙৰ সহায়ত ৪৪ অভাৰ আৰু দুটা বলত চাৰিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। স্মৃতি মান্ধানাই ১২২টা বলত ১০০ ৰাণ কৰে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩২ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ব্ৰুক হেলিডেই ৮৬ ৰাণ আৰু জৰ্জিয়া প্লিমাৰে ৩৯ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ দীপ্তি শৰ্মাই তিনিটা উইকেট দখল কৰে। দিপ্তী শৰ্মাক প্লেয়াৰ অব দ্য চিৰিজ আৰু স্মৃতি মান্ধানাক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰতে শৃংখলাৰ প্ৰথমখন খেলত জয়ী হোৱাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটোৱে বিজয় সাব্যস্ত কৰিছিল।

০০০০০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো পেৰিচ মাষ্টাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। বোপন্না আৰু এবডেনৰ যুটীটোৱে কালি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাৰ্মানীৰ আলেকজেণ্ডাৰ জেভৰেভ আৰু ব্ৰাজিলৰ মাৰ্ছেলো মেলোৰ যুটীটোক ৬-৪, ৭-৬ পোনপটীয়া ছেটত পৰাস্ত কৰে। ইপিনে, বোপন্না আৰু এবডেনৰ যুটীটোৱে ১০ নৱেম্বৰত ইটালীৰ টুৰিণত হ'বলগীয়া এ টি পি প্ৰতিযোগিতাৰ ফাইনেলছ স্থান নিশ্চিত কৰিছে। আমেৰিকাৰ নেথেনিয়ল লেমনছ আৰু জেকছন বিথোৱোই প্ৰাৰম্ভিক পৰ্যায়ৰ এখন খেলত পৰাজিত হৈ পেৰিচ মাষ্টাৰ্ছ টেনিছ প্ৰতিযোগিতাৰ পৰা বিদায় লোৱাৰ পাছত বোপন্না আৰু এবডেনৰ যুটীটোৱে ফাইনেলত স্থান লাভ কৰে।

০০০০০০০০০

সমাপ্ত